


| শাখা: স্বীকৃতিপ্ৰাপ্ত বিদ্যালয় (উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়) নৱমৰ পৰা দ্বাদশ শ্ৰেণী পৰ্য্যন্ত<br>বিষয়: জাতি আৰু জাতীয়তাবাদৰ ওপৰত আম্বেদকাৰৰ অভিমত<br>পুৰস্কাৰ: বিজয়ী প্ৰতিযোগীয়ে নিম্নোক্ত ধৰণে পুৰস্কাৰ লাভ কৰিব। | | | | শাখা: স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়/বিশ্ববিদ্যালয়/প্ৰতিষ্ঠান<br>বিষয়: আম্বেদকাৰৰ ব্যক্তিত্ব: তেখেতৰ সামাজিক পৰিবেশ, শিক্ষা আৰু পাশ্চাত্য চিন্তাধাৰা<br>পুৰস্কাৰ:বিজয়ী প্ৰতিযোগীয়ে নিম্নোক্ত ধৰণে পুৰস্কাৰ লাভ কৰিব। | | | |
|---|---|---|---|---|---|---|---|
| ভাষা | প্ৰথম পুৰস্কাৰ | ২য় পুৰস্কাৰ | ৩য় পুৰস্কাৰ | ভাষা | প্ৰথম পুৰস্কাৰ | ২য় পুৰস্কাৰ | ৩য় পুৰস্কাৰ |
| অসমীয়া | ২৫,০০০ | ১৫,০০০ | ১০,০০০ | অসমীয়া | ২৫,০০০ | ১৫,০০০ | ১০,০০০ |

- তেজপুৰ বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় ৰচনা প্ৰতিযোগিতা নিয়মাৱলীৰ সবিশেষ আৰু প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে প্ৰয়োজনীয় প্ৰ-পত্ৰ www.tezu.ernet.in ৱেবচাইটৰ পৰা ডাউনলোড কৰি ল'ব পাৰিব।

**যোগদানৰ অন্তিম তাৰিখ: ১০/০৪/২০১৭**

# তেজপুৰ বিশ্ববিদ্যালয়ৰ উদ্যোগত ড. বি. আৰ. আম্বেদকাৰৰ
# ১২৭ তম জন্ম জয়ন্তী উপলক্ষে ড. আম্বেদকাৰ ফাউণ্ডেচনৰ সহযোগত
# ৰাষ্ট্ৰীয় ৰচনা প্ৰতিযোগিতা ২০১৬

1. **আৰম্ভণি:**

ড. বি. আৰ. আম্বেদকাৰ আছিল কুৰি শতিকাৰ এগৰাকী প্ৰসিদ্ধ ৰাষ্ট্ৰনেতা। এগৰাকী অন্যতম শিক্ষাবিদ আৰু বুদ্ধিজীৱিৰূপে ভাৰত ৰাষ্ট্ৰৰ নিৰ্মাণ আৰু জাতি গঠনত তেওঁ অমূল্য বৰঙণি আগবঢ়াই থৈ গৈছে। নিপীড়িত আৰু দলিত শ্ৰেণীৰ সুৰক্ষা আৰু বিকাশৰ বাবে চলা বহুকেইটা আন্দোলনৰ তেওঁ নেতৃত্ব দিছিল। স্বাধীন ভাৰতৰ সংবিধান প্ৰণেতাৰ গধুৰ দায়িত্ব ৰূপায়ণ কৰি তেওঁ নিজৰ কীৰ্তি ভাৰতৰ ইতিহাসত স্বৰ্ণ আখৰেৰে খোদিত কৰি থৈ গৈছে। তেওঁ, ভাৰতৰ জনতাৰ ন্যায় প্ৰাপ্তিৰ সংগ্ৰামৰ এক প্ৰতীক হিচাবে সৰ্বকাল সমাদৃত হৈ ৰ'ব।

তদানীন্তন ভাৰতৰ প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত গঠিত ড. বি.আৰ.আম্বেদকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সমিতিৰ পৰামৰ্শক্ৰমে গঠিত হোৱা ড. আম্বেদকাৰ ফাউণ্ডেচন ১৯৯২ চনৰ ২৪ মাৰ্চত Societies Registration Act 1860ৰ অধীনত পঞ্জীয়নভুক্ত আৰু ভাৰতৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ সৌজন্যত পৰিচালিত এক সামাজিক সংগঠন। ড. বি.আৰ.আম্বেদকাৰৰ চিন্তা-আদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ড. আম্বেদকাৰৰ স্মৃতিত স্থাপিত অনুষ্ঠান প্ৰতিষ্ঠানক বিত্তীয় সাহায্য প্ৰদান কৰাৰ লগতে অস্পৃশ্যতা দূৰীকৰণ, জাতিগত বৈষম্য দূৰীকৰণ, সাম্প্ৰদায়িক সম্প্ৰীতি সুদৃঢ়কৰণৰ বাবে আয়োজন কৰা অনুষ্ঠান প্ৰতিষ্ঠানৰ প্ৰতি বিত্তীয় সাহায্য প্ৰদান ফাউণ্ডেচনৰ মূল উদ্দেশ্য।

2. **লক্ষ্য:**

ড. আম্বেদকাৰ ফাউণ্ডেচনৰ ৰাষ্ট্ৰীয় ৰচনা প্ৰতিযোগিতাৰ মূল উদ্দেশ্য হৈছে-বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় তথা বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীক সামাজিক ন্যায়, অস্পৃশ্যতা নিবাৰণ, জাতিগত বৈষম্য দূৰীকৰণ, সমাজৰ অসমতা নিৰাকৰণ, ৰাষ্ট্ৰীয় সংহতিৰ বিকাশ, সামাজিক গণতন্ত্ৰবোধ, সাম্প্ৰদায়িক সম্প্ৰীতিৰ সমৃদ্ধিকৰণ আদিৰ ক্ষেত্ৰত নিয়োজিত ড. আম্বেদকাৰৰ চিন্তা আৰু আদৰ্শৰ প্ৰতি অনুপ্ৰাণিত কৰা।

<table>
<tr><td colspan="4">শাখা: স্বীকৃতিপ্ৰাপ্ত বিদ্যালয় (উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়) নৱমৰ পৰা দ্বাদশ শ্ৰেণী পৰ্য্যন্ত<br>বিষয়: জাতি আৰু জাতীয়তাবাদৰ ওপৰত আম্বেদকাৰৰ অভিমত<br>পুৰস্কাৰ: বিজয়ী প্ৰতিযোগীয়ে নিম্নোক্ত ধৰণে পুৰস্কাৰ লাভ কৰিব।</td><td colspan="4">শাখা: স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়/বিশ্ববিদ্যালয়/প্ৰতিষ্ঠান<br>বিষয়: আম্বেদকাৰৰ ব্যক্তিত্ব: তেখেতৰ সামাজিক পৰিবেশ, শিক্ষা আৰু পাশ্চাত্য চিন্তাধাৰা।<br>পুৰস্কাৰ:বিজয়ী প্ৰতিযোগীয়ে নিম্নোক্ত ধৰণে পুৰস্কাৰ লাভ কৰিব।</td></tr>
<tr><td>ভাষা</td><td>প্ৰথম পুৰস্কাৰ</td><td>২য় পুৰস্কাৰ</td><td>৩য় পুৰস্কাৰ</td><td>ভাষা</td><td>প্ৰথম পুৰস্কাৰ</td><td>২য় পুৰস্কাৰ</td><td>৩য় পুৰস্কাৰ</td></tr>
<tr><td>অসমীয়া</td><td>২৫,০০০</td><td>১৫,০০০</td><td>১০,০০০</td><td>অসমীয়া</td><td>২৫,০০০</td><td>১৫,০০০</td><td>১০,০০০</td></tr>
</table>

ৰচনা কেনেকৈ পঠিয়াব: খামৰ ওপৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় ৰচনা প্ৰতিযোগিতা-২০১৬ বুলি লিখি ৰেজিষ্ট্ৰাৰ ডাক অথবা স্পীড পোষ্ট যোগে এই ঠিকনালৈ প্ৰেৰণ কৰিব:

**শ্ৰী সমৰেশ বৰ্মন**
**তথ্য আৰু জনসংযোগ বিষয়া**
**তেজপুৰ বিশ্ববিদ্যালয়, নপাম, তেজপুৰ, অসম-৭৮৪০২৮**
**৯৭১৭৩৬১২৭৭**

**অথবা**

প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ৰচনা **ambedkaressaycontest@gmail.com** এই ঠিকনাত ই-মেইল কৰিব পাৰে.

**ই-মেইল প্ৰেৰণৰ ক্ষেত্ৰত**

- প্ৰতিগৰাকী ছাত্ৰ/ছাত্ৰীয়ে শিক্ষানুষ্ঠানৰ অৰ্হতাসম্পন্ন ছাত্ৰ/ছাত্ৰী বুলি শিক্ষানুষ্ঠানৰ মুৰব্বীৰ দ্বাৰা স্বাক্ষৰিত প্ৰমাণ-পত্ৰ Scan কৰি ই-মেইল কৰি দিব লাগিব।
- প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৰচনাৰ এটা মূল প্ৰতিলিপি আৰু এটা নকল প্ৰতিলিপি সহ দুটাকৈ প্ৰতিলিপি ই-মেইল প্ৰেৰণ কৰিব লাগিব। মূল প্ৰতিলিপিত প্ৰতিযোগীৰ নাম, ঠিকনা, বিষয়, ভাষা, ই-মেইল, ফোন নং, আৰু স্বাক্ষৰ সম্বলিত হোৱাৰ বিপৰীতে নকল প্ৰতিলিপিত এই ধৰণৰ কোনো তথ্য উল্লেখ থাকিব নালাগিব।

**সময়-সূচী:**
**ৰচনা গ্ৰহণ কৰাৰ অন্তিম তাৰিখ: ১০/০৪/২০১৭**

৪. যোগ্যতা:
ড. আম্বেদকাৰ ফাউণ্ডেচনৰ এই ৰচনা প্ৰতিযোগিতা কেৱল স্বীকৃতিপ্ৰাপ্ত

(ক) বিদ্যালয় (উচ্চ/উচ্চতৰ মাধ্যমিক পৰ্যায় অৰ্থাৎ নৱম-দ্বাদশ শ্ৰেণী পৰ্যন্ত।
(খ) মহাবিদ্যালয়/বিশ্ববিদ্যালয়/অন্যান্য শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে।

5. বিষয়:
**ক-শাখা:** স্বীকৃতিপ্ৰাপ্ত বিদ্যালয় (উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়)
নৱমৰ পৰা দ্বাদশ শ্ৰেণী পৰ্য্যন্ত
**বিষয়: জাতি আৰু জাতীয়তাবাদৰ ওপৰত আম্বেদকাৰৰ অভিমত।**

**খ-শাখা:** স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়/বিশ্ববিদ্যালয়/প্ৰতিষ্ঠান
**বিষয়: আম্বেদকাৰৰ ব্যক্তিত্ব: তেখেতৰ সামাজিক পৰিবেশ, শিক্ষা আৰু পাশ্চাত্য চিন্তাধাৰা।**
৬. মাধ্যম:
**এই ৰাষ্ট্ৰীয় ৰচনা প্ৰতিযোগিতাৰ মাধ্যম অসমীয়া**

৭. **পুৰস্কাৰ:**
(১) স্বীকৃতি প্ৰাপ্ত বিদ্যালয়/মহাবিদ্যালয়/বিশ্ববিদ্যালয়/শিক্ষা প্ৰতিষ্ঠানৰ বিজয়ী প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীসকললৈ নিম্নোক্ত ধৰণে পুৰস্কাৰ আগবঢ়োৱা হ'ব।

| **প্ৰথম পুৰস্কাৰ** | **২য় পুৰস্কাৰ** | **৩য় পুৰস্কাৰ** |
|---|---|---|
| **২৫,০০০/-** | **১৫,০০০/-** | **১০,০০০/-** |

**প্ৰতিযোগিতাৰ নিয়মাৱলী:**

(১) প্ৰতিযোগিতাত যোগদানৰ বাবে কোনো মাচুল দিব নালাগে।
(২) ৰচনাৰ শব্দ সংখ্যা **বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে দুহাজাৰ** আৰু মহাবিদ্যালয়/বিশ্ববিদ্যালয়/অন্যান্য প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে **তিনিহাজাৰ পাঁচশৰ** ভিতৰত।
(৩) এগৰাকী ছাত্ৰ/ছাত্ৰীয়ে একোখনকৈ ৰচনাহে জমা দিব পাৰিব।
(৪) ৰচনা ছাত্ৰ/ছাত্ৰীয়ে নিজে লিখা আৰু মৌলিক বুলি শিক্ষানুষ্ঠানৰ মুৰব্বীৰ পৰা প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব।
(৫) প্ৰতিগৰাকী ছাত্ৰ/ছাত্ৰীয়ে শিক্ষানুষ্ঠানৰ অৰ্হতাসম্পন্ন ছাত্ৰ/ছাত্ৰী বুলি শিক্ষানুষ্ঠানৰ মুৰব্বীৰ দ্বাৰা স্বাক্ষৰিত প্ৰমাণ-পত্ৰ ৰচনাৰ লগত সংলগ্ন কৰি দিব লাগিব।
(৬) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৰচনাৰ এটা মূল প্ৰতিলিপি আৰু এটা নকল প্ৰতিলিপি সহ দুটাকৈ প্ৰতিলিপি প্ৰেৰণ কৰিব লাগিব। মূল প্ৰতিলিপিত প্ৰতিযোগীৰ নাম, ঠিকনা, বিষয়, ভাষা, ই-মেইল, ফোন নং, আৰু স্বাক্ষৰ সম্বলিত হোৱাৰ বিপৰীতে নকল প্ৰতিলিপিত এই ধৰণৰ কোনো তথ্য উল্লেখ থাকিব নালাগিব।
(৭)প্ৰতিযোগিতাৰ বাবে ৰচনা জমা দিয়া মানেই প্ৰতিযোগীয়ে প্ৰতিযোগীতাৰ সকলো নিয়মাৱলী মানি লোৱা বুলি বিবেচিত হ'ব।
(৮) ৰচনা প্ৰতিযোগিতা সন্দৰ্ভত পৰৱৰ্তী কোনো যোগাযোগ গ্ৰাহ্য নহব।
(৯) মৌলিকতাবিহীন ৰচনা প্ৰতিযোগিতাৰ বাবে বিবেচিত নহব।
(১০) প্ৰতিযোগীৰ নাম, ই মেইল ঠিকনা, যোগাযোগৰ ঠিকনা, শিক্ষানুষ্ঠানৰ নাম, পাঠ্যক্ৰমৰ নাম, অধ্যয়নৰ বৰ্ষ আদি সংশ্লিষ্ট তথ্য ৰচনাৰ লগত দিয়া পত্ৰত সংলগ্ন কৰিব লাগিব। মূল ৰচনাত এই ধৰণৰ কোনো তথ্যৰ উল্লেখ কৰিব নোৱাৰিব।
(১১) প্ৰতিযোগিতাৰ নিয়ম বৰ্হিভূতভাৱে দাখিল কৰা যিকোনো ৰচনা নাকচ কৰাৰ বাবে উদ্যোক্তা সকলৰ সম্পূৰ্ণ অধিকাৰ থাকিব।
(১২) প্ৰতিযোগিতাৰ বাবে দাখিল কৰা ৰচনা সমূহ তেজপুৰ বিশ্ববিদ্যালয়ৰ সম্পদ হিচাবে বিবেচিত হ'ব আৰু বিজয়ী প্ৰতিযোগী সকলৰ ৰচনা সমূহ গ্ৰন্থাকাৰে প্ৰকাশৰ বাবে বিবেচিত হ'ব পাৰে।
(১৩) সকলো ধৰণৰ বিবাদৰ ক্ষেত্ৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ সিদ্ধান্ত চূড়ান্তৰূপে বিবেচিত হব।

**ৰচনা প্ৰতিযোগিতা সন্দৰ্ভত যি কোনো তথ্যৰ বাবে যোগাযোগ কৰক-**
**prio@tezu.ernet.in, (M)9717361277**

**প্ৰবেশ পত্ৰ**
**ড. বি.আৰ.আম্বেদকাৰৰ ৰাষ্ট্ৰীয় ৰচনা প্ৰতিযোগিতা**
**(স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়/মহাবিদ্যালয়/বিশ্ববিদ্যালয়/প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে)**

১. ৰচনাৰ শিৰোনাম:............................................
2. ছাত্ৰ/ছাত্ৰীৰ নাম আৰু ঠিকনা:..............................................................
...................................................................................................................
...................................................................................................................

৩. শ্ৰেণী/পাঠ্যক্ৰম:..............................................................................
...................................................................................................................
৪. স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ নাম আৰু ঠিকনা:............................................
মই.....................................ইয়াৰ দ্বাৰা জনাওঁ যে:
(ক) জমা দিয়া ৰচনা মৌলিক আৰু মই জানো যে আনৰ নকল কৰা ৰচনা জমা দিলে মোক প্ৰতিযোগিতাৰ পৰা বাতিল কৰা হ'ব।
(খ) ইয়াৰ লগত মই ৰচনাৰ দুটা প্ৰতিলিপি জমা দিছো। মূল প্ৰতিলিপিত মোৰ নাম, ঠিকনা, বিষয়, ভাষা, ই-মেইল, ফোন নং, মোৰ স্বাক্ষৰ আদি সংলগ্ন কৰি দিয়া হৈছে। নকল প্ৰতিলিপিত মোৰ নাম, ঠিকনা আদি কোনো তথ্য উল্লেখ কৰা নাই।
(গ) প্ৰতিযোগিতাৰ সকলো নীতি-নিয়ম মই মানি চলিম।

...............................
...............................

---------------------------------

(ছাত্ৰ/ছাত্ৰীৰ নাম, স্বাক্ষৰ, ই মেইল, ঠিকনা)

**<u>শিক্ষানুষ্ঠানৰ অৰ্হতাৰ প্ৰমাণ-পত্ৰ</u>**

মই নিম্ন স্বাক্ষৰকাৰীয়ে প্ৰমাণ-পত্ৰ দিওঁ যে (শিক্ষানুষ্ঠানৰ নাম সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা স্বীকৃত আৰু ওপৰত উল্লেখ কৰা ছাত্ৰ/ছাত্ৰী গৰাকী আমাৰ শিক্ষানুষ্ঠানৰ অৰ্হতাসম্পন্ন ছাত্ৰ/ছাত্ৰী।

...............................

অধ্যক্ষ/সঞ্চালক/মূৰব্বী
(নাম, স্বাক্ষৰ, ই-মেইল)
(কাৰ্যালয়ৰ মোহৰ)